**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অচল’ত ভাৰত-ন’ৰৱে ব্যৱসায় আৰু গৱেষণা শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰক ভাৰত শক্তিশালী, আত্মবিশ্বাসী আৰু সক্ষম ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হোৱাৰ প্ৰমাণ বুলি অভিহিত কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশত জল মেট্ৰ’ সেৱা আৰম্ভ কৰাৰ বিষয়ে নতুন দিল্লীত কালি এখন পৰ্যালোচনা বৈঠকত ভাগ লয়।

৪। কংগো গণৰাজ্যত ইব’লা ভাইৰাছৰ প্ৰাদুৰ্ভাৱৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১১৮ লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ছানৰাইজাৰ্ছ হায়দৰাবাদে তৃতীয়টো দল হিচাপে প্লে-অফত স্থান নিশ্চিত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অচল'ত অনুষ্ঠিত ভাৰত-নৰৱে ব্যৱসায় আৰু গৱেষণা শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত নৰৱেৰ প্ৰধানমন্ত্ৰী জোনাছ গাহৰ ষ্ট’ৰেও অংশগ্ৰহণ কৰে।

শীৰ্ষ সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি বলবৎ হোৱাৰ পাছত নৰৱে'ৰ সৈতে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগ বৃদ্ধিৰ শলাগ লয়। তেওঁ কয়, যে দুয়োপক্ষৰ অংশীদাৰসকলে এই চুক্তিৰ অধীনত দহ হাজাৰ কোটি মাৰ্কিন ডলাৰৰ বিনিয়োগৰ লক্ষ্যত উপনীত হোৱাৰ, আৰু তাৰ ফলস্বৰূপে ভাৰতত ১০ লাখ চাকৰিৰ সৃষ্টিৰ বাবে প্ৰচেষ্টা চলাব লাগে বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে ভাৰতৰ জাহাজ নিৰ্মাণ, নবীকৰণযোগ্য শক্তি, স্বাস্থ্য-প্ৰযুক্তি, ষ্টাৰ্ট-আপ আদি মূল খণ্ডসমূহত নৰৱেৰ পৰা অধিক বিনিয়োগ লাভ কৰাৰ লক্ষ্যৰে দেশখনৰ বিনিয়োগকাৰীসকলক ভাষণৰ জৰিয়তে উৎসাহিত কৰে।

দেশৰ ক্ৰমবৰ্ধমান শক্তি চাহিদা, জলবায়ুৰ সৈতে জড়িত প্ৰতিশ্ৰুতি, নবীকৰণযোগ্য শক্তি, গ্ৰীড আন্তঃগাঁথনি, সেউজ হাইড্ৰ’জেন, নিকা শক্তি আদিৰ দ্ৰুত সম্প্ৰসাৰণত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ অভিলাষী সেউজ পৰিৱৰ্তন কাৰ্যসূচীৰ বিষয়েও সন্মিলনত উল্লেখ কৰে। তেওঁ নিকা শক্তিখণ্ডত বিনিয়োগ তথা সাগৰীয় বহনক্ষমতা ক্ষেত্ৰত নৰৱেৰ গোলকীয় নেতৃত্বৰ শলাগ লয়। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ

ব্যৱসায়ী সম্প্ৰদায়ক দ্বিপাক্ষিক সহযোগিতাৰ ন-ন ক্ষেত্ৰসমূহ চিনাক্ত কৰাৰ লগতে অৰ্থনৈতিক সহযোগিতা ত্বৰান্বিত কৰিবলৈয়ো আহ্বান জনায়।

এই সন্মিলনত ৫০ টাতকৈও অধিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু নৰৱে তথা ভাৰতীয় ব্যৱসায় আৰু গৱেষণাৰ সৈতে জড়িত ২৫০ জনতকৈ অধিক অংশগ্ৰহণকাৰীয়ে ভাগ লয়। এই সন্মিলনৰ আপাহতে ভাৰত আৰু নৰৱেৰ কোম্পানীসমূহৰ মাজত কেইবাটাও ব্যৱসায়িক চুক্তি স্বাক্ষৰিত হয় বুলি বৈদেশিক মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰক ভাৰত শক্তিশালী, আত্মবিশ্বাসী আৰু সক্ষম ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হোৱাৰ প্ৰমাণ বুলি অভিহিত কৰে। হানৈত কালি প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰি শ্ৰীসিঙে কয়, যে ভাৰত প্ৰথমে পৰমাণু আক্ৰমণ নকৰা নীতিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ, কিন্তু ই কেতিয়াও পৰমাণু হুংকাৰৰ আগত সেও নামানে আৰু শত্ৰুৰ যিকোনো আক্ৰমণৰ সঁহাৰি দিবলৈ সাজু আছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে, যাৰ ফলত গোলকীয় মঞ্চত দেশৰ প্ৰতিষ্ঠা বৃদ্ধি হৈ আছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে অৰ্ধপৰিবাহী খণ্ডত দ্ৰুতগতিত আগবাঢ়ি আছে আৰু ই কেৱল প্ৰযুক্তিগত উন্নয়নেই নহয়, বৰঞ্চ নতুন ভাৰতৰ পৰিচয়ো। মন্ত্ৰীগৰাকীয়ে বিশ্ব শান্তি আৰু সমৃদ্ধিৰ বাবে সমগ্ৰ বিশ্বক আহ্বান জনায়। লগতে তেওঁ প্ৰবাসী ভাৰতীয়সকলক ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত যোগদান কৰিবলৈ অনুৰোধ জনায়।

ooooo

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশত জল মেট্ৰ' সেৱা আৰম্ভ কৰাৰ বিষয়ে কালি নতুন দিল্লীত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ ১৮ খন চহৰত প্ৰথম পৰ্যায়ৰ কেন্দ্ৰীয় চৰকাৰে জল মেট্ৰ' সেৱা মুকলিৰ পৰিকল্পনা কৰিছে। এই ১৮ খন চহৰৰ ভিতৰত গুৱাহাটীও আছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। গুৱাহাটীৰ লগতে প্ৰকল্পৰ প্ৰথম পৰ্যায়ত শ্ৰীনগৰ, পাটনা, বাৰাণসী, অযোধ্যা, প্ৰয়াগৰাজ আদি চৰহকো সামৰি লোৱা হৈছে বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰে। তেওঁ কয়, যে অসমৰ তেজপুৰ আৰু ডিব্ৰুগড়কো দ্বিতীয় পৰ্যায়ত প্ৰকল্পৰ আওঁতালৈ অনা হ'ব। কালিৰ বৈঠকতে মন্ত্ৰীগৰাকীয়ে আন্তঃমন্ত্ৰালয় আলোচনাৰ বাবে ৰাষ্ট্ৰীয় জল মেট্ৰ' নীতি খচৰা ২০২৬ প্ৰকাশ কৰে। এই খচৰাই নগৰীয়া জল পৰিবহণৰ বাবে ৰাষ্ট্ৰীয় পৰিকাঠামো আনুষ্ঠানিকভাৱে আৰম্ভ কৰাৰ ইংগিত বহন কৰিছে। এই নীতিৰ জৰিয়তে দেশৰ অভ্যন্তৰীণ জলপথসমূহক দক্ষ, বহনক্ষম আৰু আধুনিক ৰাজহুৱা পৰিবহণ কৰিড'ৰৰূপে বিকাশ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

শ্ৰীসোণোৱালে কালি কয়, যে প্ৰস্তাৱিত ৰাষ্ট্ৰীয় জল মেট্ৰ' সেৱা উদ্যমটোক গতানুগতিক নগৰীয়া পৰিবহণৰ সলনি এটা কাৰ্যকৰী আৰু পৰিৱেশ অনুকূল ব্যৱস্থাৰূপে পৰিগণিত হ'ব। এই সেৱাই চহৰসমূহৰ যান-জঁট হ্ৰাস কৰাত অৰিহণা যোগোৱাৰ লগতে ই আৰামদায়ক আৰু মসৃণ যাতায়াতৰ অভিজ্ঞতা প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰীসোণোৱালে এই উদ্যম তথা খচৰা সন্দৰ্ভত ৰাজ্য চৰকাৰসমূহৰ পৰামৰ্শ লোৱাৰ প্ৰয়োজনতো গুৰুত্ব আৰোপ কৰে।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি ব্যৱসায় আৰু কৃষি খণ্ডৰ অংশীদাৰসকলৰ বাবে প্ৰক্ৰিয়াসমূহ সৰল কৰাৰ লক্ষ্যৰে ধাৰাবাহিকভাৱে লোৱা বৃহৎ সংস্কাৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰে। বৈঠকত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ সচিব আতিশ চন্দ্ৰই কৃষি মন্ত্ৰালয়ে ৰূপায়ণ কৰি থকা বিভিন্ন সংস্কাৰ আৰু ভৱিষ্যতে ল'বলগীয়া পদক্ষেপসমূহৰ বিষয়ে বিতংভাৱে অৱগত কৰে। সচিবগৰাকীয়ে জনাই যে, ঘৰুৱা কীটনাশক বিক্ৰী আৰু মজুতকৰণৰ অনুজ্ঞাপত্ৰ প্ৰক্ৰিয়া যথেষ্ট সৰল কৰি তোলা হৈছে। এই সংস্কাৰে এনে সামগ্ৰী বিক্ৰী কৰা ৪০ লাখৰো অধিক খুচুৰা বিক্ৰেতা আৰু গেলামালৰ দোকানীক উপকৃত কৰিব বুলি আশা কৰা হৈছে। বৈঠকত সাৰ নিয়ন্ত্ৰণ আদেশ ১৯৮৫ৰ অধীনত নতুন সাৰৰ পঞ্জীয়ন প্ৰক্ৰিয়া সৰল কৰাৰ বাবে পদক্ষেপসমূহৰ বিষয়েও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়। কৃষকৰ জীৱন সহজ কৰি তোলাৰ লক্ষ্যৰে 'ভাৰত বিস্তাৰ'– কৃষিত কৃত্ৰিম বুদ্ধিমত্তা মঞ্চৰো পৰ্যালোচনা কৰা হয়। একেখন মঞ্চত কৃষি সম্পৰ্কীয় গুৰুত্ব তথ্য প্ৰদানৰ বাবে এই নতুন কেন্দ্ৰীয় কৃত্ৰিম বুদ্ধিমত্তা ভিত্তিক ব্যৱস্থাটো নিৰ্মাণ কৰা হৈছে।

ooooo

ন্যায়াধীশ যশৱন্ত বাৰ্মা সম্পৰ্কীয় অভিযোগৰ তদন্ত কৰা ন্যায়াধীশ তদন্ত কমিটীয়ে সংসদ ভৱনত অধ্যক্ষ ওম বিৰলাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। ১৯৬৮ চনৰ ন্যায়াধীশ আইনৰ অধীনত এই প্ৰতিবেদন দাখিল কৰা হয়। পৰৱৰ্তী সময়ত সংসদৰ দুয়োখন সদনতে এই প্ৰতিবেদন দাখিল কৰা হ'ব। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ১৪ মাৰ্চৰ ৰাতি ন্যায়াধীশগৰাকীৰ চৰকাৰী বাসগৃহত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাৰ পাছত উদ্ধাৰ কৰা বুজন পৰিমাণৰ ধনৰ তদন্তৰ বাবে ১২ আগষ্টত লোকসভাৰ অধ্যক্ষই কমিটীখন গঠন কৰিছিল। ন্যায়াধীশ তদন্ত কমিটীৰ কাৰ্যবাহী বিষয়া, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অৰবিন্দ কুমাৰৰ লগতে বম্বে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰী চন্দ্ৰশেখৰ আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বি ভি আচাৰ্যই শ্ৰীবিৰলাৰ ওচৰত এই প্ৰতিবেদন দাখিল কৰে।

ooooo

দেশৰ মন্দিৰসমূহত মজুত থকা সোণৰ বিনিময়ত চৰকাৰে মন্দিৰসমূহলৈ সোণৰ বণ্ড জাৰি কৰিবলৈ সাজু হোৱা বুলি সামাজিক মাধ্যমত প্ৰচাৰিত এটা অভিযোগক চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ তথ্য পৰীক্ষণ শাখাই এই অভিযোগক ভুৱা বুলি উল্লেখ কৰিছে। কেন্দ্ৰীয় চৰকাৰে এইধৰণৰ কোনো বিবৃতি জাৰি কৰা নাই বুলি ব্যুৰ'ই প্ৰকাশ কৰিছে। ব্যুৰ'ই লগতে দেশৰ জনসাধাৰণক এইধৰণৰ ভুৱা দাবীৰ পৰা আঁতৰি থাকিবলৈ আৰু শুদ্ধ তথ্যৰ বাবে চৰকাৰী উৎস নাইবা চৰকাৰী ৱেবছাইটসমূহ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

ooooo

কংগো গণৰাজ্যত ইব'লা ভাইৰাছৰ প্ৰাদুৰ্ভাৱৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১১৮ লৈ বৃদ্ধি পাইছে। দেশখনত কেইবা সপ্তাহ পূৰ্বে এই ভাইৰাছৰ প্ৰাদুৰ্ভাৱ হৈছিল বুলি দেশখনৰ স্বাস্থ্য বিষয়াসকলে জানিবলৈ দিছে। বিশ্ব স্বাস্থ্য সংস্থাই দেশখনৰ বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই মহামাৰীক আন্তৰ্জাতিক উদ্বেগজনক জনস্বাস্থ্য জৰুৰীকালীন অৱস্থা হিচাপে ঘোষণা কৰিছে। দেশখনৰ ইতুৰি আৰু উত্তৰ কিভু প্ৰদেশত এইপৰ্যন্ত ইব'লাৰ ফলত ১১৮ জন লোকে প্ৰাণ হেৰুৱাইছে। অঞ্চল দুটাত এতিয়ালৈ ৩০০ জন লোকক এই ৰোগত আক্ৰান্ত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। ইপিনে চুবুৰীয়া ৰাষ্ট্ৰ উগাণ্ডাতো স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষই বৰ্তমানলৈ এজন লোকৰ ইব'লাৰ ফলত মৃত্যু হোৱা বুলি প্ৰকাশ কৰিছে। আমেৰিকা

যুক্তৰাষ্ট্ৰৰ ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰয়ো উগাণ্ডালৈ ইব'লা বিয়পাৰ বাতৰি নিশ্চিত কৰিছে। উগাণ্ডাত আন এজন লোকক এই ৰোগত আক্ৰান্ত হোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। দেশখনৰ বিষয়াসকলে পৰীক্ষণৰ মাত্ৰা বৃদ্ধি কৰাৰ লগে লগে এই সংখ্যাও বৃদ্ধি পাব বুলি সকীয়াই দিছে। আফ্ৰিকাৰ ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি দেশখনত ৩৯০ জনৰো অধিক লোক ইব'লাত আক্ৰান্ত হোৱাৰ সন্দেহ কৰা হৈছে। কংগোই দেশখনৰ উত্তৰ ইতুৰি প্ৰদেশত ইব'লাত আক্ৰান্ত লোকসকলৰ চিকিৎসাৰ বাবে তিনিটা কেন্দ্ৰ মুকলি কৰাৰ পৰিকল্পনা কৰিছে। বিশ্ব স্বাস্থ্য সংস্থায়েও এই ৰোগ নিয়ন্ত্ৰণৰ বাবে দেশখনে কৰা প্ৰচেষ্টাক উদগণি যোগাবলৈ বিশেষজ্ঞৰ এটা দল প্ৰেৰণ কৰিছে।

০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে-অফ পৰ্যায়ত উপনীত হৈছে। দলটোৱে যোৱানিশা চেন্নাইত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰি প্লে-অফত স্থান নিশ্চিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি চেন্নাইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ কাৰ্তিক শৰ্মাই সৰ্বাধিক ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ পেট কামিন্সে ৩টা আৰু ছাকিব হুছেইনে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৯ অভাৰত ৫টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ঈষাণ কিষাণে ৭০ আৰু হেনৰিক ক্লাছেনে ৪৭ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। খেলখনত বিজয়ী হোৱাৰ সুবাদত হায়দৰাবাদে গ্ৰুপ পৰ্যায়ত নিজৰ আৰু এখন খেল বাকী থকা অৱস্থাতে সম্প্ৰতি ১৬ পইণ্ট লাভ কৰিছে। একেদৰে গুজৰাট টাইটানছ দলটোৱেও ১৬ পইণ্ট লাভ কৰি প্লে-অফত স্থান নিশ্চিত কৰিছে। ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৮ পইণ্টেৰে প্লে-অফত উপনীত হৈছে। অৱশ্যে ১৩ খন খেলৰ পৰা এইপৰ্যন্ত ১২ পইণ্ট অৰ্জন কৰা চেন্নাইৰ দলটোও প্লে-অফ পৰ্যায়ত উপনীত হোৱাৰ দৌৰত আছে।

প্ৰতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত